# অধ্যায় ২ ঃ স্বপ্নবাসবদত্তম্ (প্ৰথম অংক)

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ প্ৰথম অংকৰ নিৰ্বাচিত দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

২.৩.১ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগছোৱাৰ দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

২.৩.২ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ পৰা দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

২.৪ উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদ

২.৪.১ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগচোৱা

২.৪.২ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ পৰা

২.৫ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ তাৎপৰ্য ব্যাখ্যা

২.৬ কেইটিমান বিশেষ শ্লোক ব্যাখ্যা কৰাৰ আৰ্হি

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্ৰগতিৰ খতিয়ান

২.১০ আৰ্হি প্ৰশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰথম অংকৰ বিশেষ কেইটিমান দৃশ্যৰ সংস্কৃত পাঠৰ লগত পৰিচিত হ'ব পাৰিব
- নাটকখনিৰ প্ৰথম অংকৰ উল্লিখিত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদসমূহ আয়ত্ব কৰিব পাৰিব
- অংকটিত থকা ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰবেশৰ তাৎপৰ্য সম্পৰ্কে অবগত হ'ব পাৰিব
- শ্লোকসমূহৰ ব্যাখ্যা কেনেদৰে কৰা হয় তাৰ আৰ্হি লাভ কৰিব পাৰিব।

## ২.২ পৰিচয়

ইতিমধ্যে আপুনি ভাসৰ দ্বাৰা ৰচিত স্বপ্নবাসবদত্তম্ নাটকখনৰ এক সাধাৰণ ধাৰণা লাভ কৰিছে। ইয়াৰ নাট্যকাৰ আৰু প্ৰতিটো অংকৰ সাৰাংশ বিশদভাৱে জানিব পাৰিছে। মূল চৰিত্ৰসমূহৰ বৈশিষ্ট্য সম্পৰ্কেও অৱগত হৈছে।

এই অধ্যায়ত স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰথম অংকটিৰ এক সম্যক আলোচনা আগবঢ়োৱা

হৈছে। অধ্যায়টিৰ জৰিয়তে আপুনি ভাসৰ নাটক কেনেদৰে আৰম্ভ হয় সেই বিষয়ে অবগত হ'ব পাৰিব। ইয়াৰ উপৰিও অংকটিত থকা কেইটিমান গুৰুত্বপূৰ্ণ দৃশ্যৰ সংস্কৃত পাঠৰ লগতে তাৰ অসমীয়া অনুবাদসমূহ জানিব পাৰিব। বিশেষ দৃশ্য এটিৰ অৱতাৰণাৰ তাৎপৰ্য সম্পৰ্কেও জ্ঞাত হ'ব পাৰিব। ইয়াৰ উপৰিও শ্লোকসমূহৰ ব্যাখ্যা কেনেদৰে কৰা হয় সেই বিষয়ে এই অধ্যায়ৰ জৰিয়তেই জ্ঞান লাভ কৰিব পাৰিব।

## ২.৩ প্ৰথম অংকৰ নিৰ্বাচিত দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰথম অংকৰ বিশেষ কেইটিমান দৃশ্যৰ সংস্কৃত পাঠৰ সৈতে পৰিচিত হ'ব পাৰিব। প্ৰথমতে ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগছোৱাৰ দৃশ্যসমূহৰ বিষয়ে জানিব পাৰিব। ইয়াৰ পিছত ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ পিছৰ দৃশ্যৰ সংস্কৃত পাঠও পঢ়িব পাৰিব। ব্ৰহ্মচাৰী চৰিত্ৰটোৰ প্ৰৱেশে নাটকখনত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

### ২.৩.১ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগছোৱাৰ দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

(নান্দ্যন্তে ততঃ প্ৰৱিশতি সূত্ৰধাৰঃ)

সূত্ৰধাৰ ঃ—

উদয়নৱেন্দুসৱৰ্ণাৱাসৱদত্তাবলৌ বলস্য ত্বাম্।
পদ্মাৱতী পূৰ্ণৌ ৱসন্তকম্ৰৌ ভুজৌ পাতাম্।। ২।।

এৱমাৰ্যমিশ্ৰান্ বিজ্ঞাপয়ামি। আয় ! কিং নু খলু ময়ি বিজ্ঞাপনব্যগ্ৰে শব্দ ইৱ শ্ৰুয়তে? অঙ্গ ! পশ্যামি।

(নেপথ্যে)

উৎসৰতোৎসৰতাৰ্যাঃ ! উৎসৰত।

সূত্ৰধাৰ ঃ — ভৱতু বিজ্ঞাতম্।

ভৃত্যৈৰ্মগধৰাজস্য স্নিগ্ধৈঃ কন্যানুগামিভিঃ।
ধৃষ্টমুৎসাৰ্যতে সৰ্বস্তপোবনগতো জনঃ ।। ২।।

(নিষ্ক্ৰান্তঃ।)

স্থাপনা।

অথ প্ৰথমোহঙ্কঃ

(প্ৰবিশ্য)

ভটৌ — উৎসৰতোৎসৰতাৰ্যাঃ ! উৎসৰত।

(ততঃ প্ৰৱিশতি পৰিব্ৰাজকবেষো যৌগন্ধৰায়ণ আবন্তিকাবেষধাৰিণী বাসবদত্তা চ।)

যৌগন্ধৰায়ণ ঃ — (কৰ্ণং দত্ত্বা) কথমিহাপ্যুৎসাৰ্যতে? কুতঃ

ধীৰস্যাশ্ৰমসংশ্ৰিতস্য বসতস্তুষ্টস্য বন্যৈঃ ফলৈ—

র্মানা২স্য জনস্য বল্কলবতস্ত্ৰাসঃ সমুৎপাদ্যতে।
উৎসিক্তো বিনয়াদপেতপুৰুষো ভাগ্যৈশ্চলৈৰ্বিস্মিতঃ
কোহয়ং ভো। নিভৃতং তপোবনমিদং গ্ৰামীকৰোত্যাজ্ঞয়া।। ৩।।

বাসৱদত্তা — আৰ্য ! ক এষ উৎসাৰয়তি?

যৌগন্ধৰায়ণঃ — ভৱতি। সো ধৰ্মাদাত্মানমুৎসাৰয়তি।

বাসবদত্তা— আৰ্য ! ন হ্যেৱং বক্তুকামা। অহমপি নাযোৎসাৰয়িতব্যা ভৱামীতি।

যৌগন্ধৰায়ণঃ — ভৱতি। এবমনিৰ্জ্ঞাতানি দৈবতান্যপ্যবধূয়ন্তে।

বাসবদত্তা— আৰ্য ! তথা পৰিশ্ৰমঃ পৰিখেদংনোৎপাদয়তি যথায়ং পৰিভৱঃ।

যৌগন্ধৰায়ণঃ— ভুক্তোজ্মিত এষ বিষয়োহত্ৰভৱত্যা। নাত্ৰ— চিন্তা কাৰ্যা। কুতঃ

পূৰ্বং ত্বয়াপ্যভিমতং গতমেবমাসী—
চ্ছলাঘ্যং গমিষ্যসি পুনৰ্বিজয়েন ভৰ্তুঃ।
কালক্ৰমেণ জগতঃ পৰিবৰ্তমানা
চক্ৰাৰপংক্তিবিৱ গচ্ছতি ভাগ্যপক্তিঃ ।। ৪।।

ভটৌ — উৎসৰতাৰ্যাঃ উৎসৰত।

(ততঃ প্ৰৱিশতি কাঞ্চুকীয়ঃ)

কাঞ্চুকীয়ঃ — সম্ভযক ! নখলু নখলূৎসাৰণা কাৰ্যা। পশ্য,

পৰিহৰতু ভৱান্ নৃপাপৰাদং
ন পৰুষমাশ্ৰমবাসিষু প্ৰযোজ্যম্।
নগৰপৰিভৱান্ বিমোক্তুনেতে
বনমভিগম্য মনস্বিনো বসন্তি।।

উভৌ — আৰ্য তথা।

(নিষ্ক্ৰান্তৌ)

যৌগন্ধৰায়ণঃ — হন্ত সবিজ্ঞানমস্য দৰ্শনম্। বৎসে উপসৰ্পাবস্তাৱদৈনম্।

বাসবদত্তা— আৰ্যঙ্গ তথা।

যৌগন্ধৰায়ণঃ— (উপসৃত্য) ভোঃ। কিংকৃতেয়মুৎসাৰণা ?

কাঞ্চুকীয়ঃ— ভোস্তপস্বিন্।

যৌগন্ধৰায়ণঃ — (আত্মগতম্) তপস্বিন্নিতি গুণবান্ খল্বয়মালাপঃ।
অপৰিচয়াত্তু ন শ্লিষ্যতে মে মনসি।

কাঞ্চুকীয়ঃ-ভোঃ। শ্ৰূয়তাম্। এষা খলু গুৰুভিৰভিহিত নামধেয়স্যাস্মাকং মহাৰাজদৰ্শকস্য ভগিনী পদ্মাৱতী নাম। সৈষা নো মহাৰাজমাতৰং মহাদেৱীমাশ্ৰমস্থামভিগম্যানুজ্ঞাতা তত্ৰভৱত্যা ৰাজগৃহমেৱ যাস্যতি।

তদদ্যাস্মিন্নাশ্ৰমপদে ৰাসোহভিপ্ৰেতোহস্যাঃ। তদ্ ভৱন্তঃ।

তীৰ্থোদকানি সমিধঃ কুসুমানি দৰ্ভান্

স্বৈৰং বনাদুপনয়ন্তু তপোধনানি।

ধৰ্মপ্ৰিয়া নৃপসুতা ন হি ধৰ্মপীড়া—

মিচ্ছেৎ তপস্বিষু কুলব্ৰতমেতদস্যাঃ ।। ৬।।

যৌগন্ধৰায়ণঃ- (স্বগতম্) এৱম্। এষা মা মগধৰাজপুত্ৰী পদ্মাৱতী নাম য়া পুষ্পক ভদ্ৰাদিভিৰাদেশিকৈৰাদিষ্টা স্বামিনো দেৱী ভৱিষ্যতীতি। ততঃ—

প্ৰদ্বেষো বহুমানো বা সংকল্পাদুপজায়তে।

ভৰ্তৃদাৰাভিলাষিত্বাদস্যাং মে মহতী স্বতা ।। ৭।।

ৱাসৱদত্তা — (স্বগতম্) ৰাজদাৰিকেতি শ্ৰুত্বা ভগিনিকাস্নেহোহপি মেহত্ৰ সংপদ্যতে।

কাঞ্চুকীয়ঃ— যদভিপ্ৰেতং ভৱত্যা। ভো ভো আশ্ৰমবাসিনস্তপস্বিনঃ।

শৃন্বন্তু শৃন্বন্তু ভৱন্তঃ। ইহাত্ৰভৱতী মগধৰাজপুত্ৰ্যনেন বিস্ৰম্ভেণোৎপাদিতবিস্ৰম্ভা ধৰ্মাৰ্থমৰ্থেনোপনিমন্ত্ৰয়তে।

কস্যাৰ্থঃ কলশেন কো মৃগয়তে বাসো যথানিশ্চিতং

দীক্ষাং পাৰিতৱান্ কিমিচ্ছতি পুনৰ্দেয়ংগুৰোৰ্যদ্ভবেৎ।

আত্মানুগ্ৰহমিচ্ছতীহ নৃপজা ধৰ্মাভিৰামপ্ৰিয়া

যদ্ যস্যাস্তি সমীপ্সিতং বদতু তৎকস্যাদ্য কিং দীযতাম্।। ৮।।

যৌগন্ধৰায়ণঃ (আত্মগতম্।) হন্ত দৃষ্ট উপায়ঃ। (প্ৰকাশম্।) ভোঃ অহমৰ্থী।

পদ্মাৱতী— দিষ্ট্যা সফলং যে তপোবনাভিগমনম্।

তাপসী— সন্তুষ্টতপস্বিজনমিদমাশ্ৰমপদম্। আগন্তুকেনানেন ভৱিতব্যম্।

কাঞ্চুকীয়ঃ— ভোঃ। কিং ক্ৰিয়তাম্?

যৌগন্ধৰায়ণঃ— ইয়ং মে স্বসা। প্ৰোষিত ভৰ্তৃকামিমামিচ্ছাম্যত্ৰভৱত্যা— কংচিৎ কালং পৰিপাল্যমানাম্ কুতঃ

কাৰ্যং নৈৱাৰ্থৈৰ্নাপি ভোগৈৰ্ন বস্ত্ৰৈ—

ৰ্নাহং কাষায়ং বৃত্তিহেতোঃ প্ৰপন্নঃ।

ধীৰা কন্যেয়ং দৃষ্টধৰ্মপ্ৰচাৰ।

শক্তা চাৰিত্ৰং ৰক্ষিতুং যে ভগিন্যাঃ।। ৯।।

বাসৱদত্তা— হম্। ইহ মাং নিক্ষেপ্তকাম আৰ্যযৌগন্ধৰায়ণঃ। ভৱতু— অবিচাৰ্য ক্ৰমং ন কৰিষ্যতি। (আত্মগতম্।)

কাঞ্চুকীয়ঃ— ভৱতি। মহতী খল্বস্য ব্যাপাশ্ৰয়ণা। কথং প্ৰতিজানীমঃ।

কুতঃ

সুখমৰ্থো ভৱেদ্ দাতুং সুখং প্ৰাণাঃ সুখং তপঃ।

সুখমন্যদ্ ভৱেদ সৰ্বং দুঃখং ন্যাসস্য ৰক্ষণম্।। ১০।।

## ২.৩.২ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰবেশৰ পৰা দৃশ্যসমূহৰ মূল সংস্কৃত পাঠ

(ততঃ প্ৰৱিশতি ব্ৰহ্মচাৰী)

ব্ৰহ্মচাৰী— (ঊৰ্ধমৱলোক্য) স্থিতো মধ্যাহ্নঃ। দৃঢ়মস্মিপৰিশ্ৰান্তঃ।

অথ কস্মিন্ প্ৰদেশে বিশ্ৰময়িষ্যেৎ (পৰিক্ৰম্য।) ভৱতু, দৃষ্টম্।

অভিতস্তপোবনেনানেন ভৱিতব্যম্। তথাহি—

> বিস্ৰব্ধা হৰিণাশ্চৰন্ত্যচকিতা দেশাগত প্ৰত্যয়া
> বৃক্ষাঃ পুষ্পফলৈঃ সমৃদ্ধবিটপাঃ সৰ্বে দয়াৰক্ষিতাঃ।
> ভূয়িষ্ঠং কপিলানি গোকুলধনান্যক্ষেত্ৰবত্যো দিশো
> নিঃসন্দিগ্ধমিদং তপোবনময়ং ধূমো হি বহ্বাশ্ৰয়ঃ।। ১২।।

যাৱৎ প্ৰৱিশামি। (প্ৰৱিশ্য) অয়ে। আশ্ৰমবিৰুদ্ধঃ খল্বেষ জনঃ। (অন্যতো বিলোক্য।) অথবা তপস্বিজনোহপ্যত্ৰ। নিৰ্দোষমুপসৰ্পণম্। অয়ে। স্ত্ৰীজনঃ।

কাঞ্চুকীয়ঃ— স্বৈৰং স্বৈৰং প্ৰৱিশতু ভৱান্। সৰ্বজনসাধাৰণমাশ্ৰমপদং নাম।

বাসবদত্তা— হম্।

পদ্মাৱতী— অম্মো। পৰপুৰুষদৰ্শনং পৰিহৰত্যাৰ্যা। ভৱতু। সুপৰিপালনীয়ঃ খলু সন্ন্যাসঃ।

কাঞ্চুকীয়ঃ— ভোঃ। পূৰ্বং প্ৰৱিষ্টাঃ স্মঃ প্ৰতিগৃহ্যতামতিথি— সৎকাৰঃ।

ব্ৰহ্মচাৰী— (আচম্য) ভৱতু ভৱতু। নিবৃত্তপৰিশ্ৰমোহস্মি।

যৌগন্ধৰায়ণঃ— ভোঃঙ্গ কুত আগম্যতে ক্ব গন্তব্যং ক্বাধিষ্ঠানমাৰ্যস্য?

ব্ৰহ্মচাৰী— ভোঃ শ্ৰূয়তাম্। ৰাজগৃহতোহস্মি। শ্ৰুতিবিশেষণাৰ্থং বাসভূমৌ লাৱাণকং নাম গ্ৰামস্তত্ৰোষিতবানস্মি।

বাসবদত্তা— (আত্মগতম্) হা। লাৱাণকং নাম। লাৱাণকসংকীৰ্তনেন পুনৰ্নৱীকৃত ইব মে সন্তাপঃ।

যৌগন্ধৰায়ণঃ— অথ পৰিসমাপ্তা বিদ্যা?

ব্ৰহ্মচাৰী— ন খলু তাবৎ।

যৌগন্ধৰায়ণঃ— যদ্যনৱসিতা বিদ্যা কিমাগমনপ্ৰয়োজনম্?

ব্ৰহ্মচাৰী— তত্ৰ খল্বতিদাৰুণং ব্যসনং সংবৃত্তম্।

যৌগন্ধৰায়ণঃ— কথমিৱ?

ব্ৰহ্মচাৰী— তত্ৰোদয়নো নাম ৰাজা প্ৰতিৱসতি।

যৌগন্ধৰায়ণঃ— শ্ৰূয়তে তত্ৰভবানুদয়নঃ। কিং সঃ?

ব্ৰহ্মচাৰী— তস্যাৱন্তিৰাজপুত্ৰী বাসবদত্তা নাম পত্নী দৃঢ়মভিপ্ৰেতা কিল?

যৌগন্ধৰায়ণঃ— ভৱিতব্যম্। ততস্ততঃ?

ব্ৰহ্মচাৰী— ততস্তস্মিন মৃগয়ানিষ্ক্ৰান্তে ৰাজনি গ্ৰামদাহেন সা দগ্ধা।

বাসবদত্তা— (আত্মগতম্) অলীকমলীকং খল্বেতৎ। জীবামি মন্দভাগা.

যৌগন্ধৰায়ণঃ — ততস্ততঃ?

ব্ৰহ্মচাৰী— ততস্তামভ্যবপত্তুকামো যৌগন্ধবায়নো নাম সচিবস্তস্মিন্নেবাগ্নৌ পতিতঃ।

যৌগন্ধৰায়ণঃ — সত্যং পতিত ইতি। ততস্ততঃ?

ব্ৰহ্মচাৰী— ততঃ প্ৰতিনিবৃত্তো ৰাজা তদ্‌বৃত্তান্তং শ্ৰুত্বা তয়োৰিয়োগজনিতসন্তাপস্তস্মিন্নেবাগ্নৌ প্ৰাণান্ পৰিত্যক্তুকামো— হমাত্যৈৰ্মহতা যত্নেন বাৰিতঃ।

বাসবদত্তা— (আত্মগতম্) জানামি জানাম্যাৰ্যপুত্ৰস্য ময়ি সানুক্ৰোশত্বম্।

যৌগন্ধৰায়ণঃ— ততস্ততঃ?

ব্ৰহ্মচাৰী— ততস্তস্যাঃ শৰীৰোপভুক্তানি দগ্ধশেষান্যাভৰণানি পৰিষ্যজ্য ৰাজা মোহমুপগতঃ।

সৰ্বে— হা।

বাসবদত্তা— (স্বগতম্) সকাম ইদানীমাৰ্যযৌগন্ধৰায়েণা ভৱতু।

চেটী— ভৰ্তৃদাৰিকে। ৰোদিতি খল্বিয়মাৰ্যা।

পদ্মাৱতী— সানুক্ৰোশয়া ভৱিতব্যম্।

যৌগন্ধৰায়ণঃ— অথ কিমথ কিম্? প্ৰকৃত্যা সানুক্ৰোশা মে ভগিনী। ততস্ততঃ?

ব্ৰহ্মচাৰী— ততঃ শনৈঃ শনৈঃ প্ৰতিলব্ধসংজ্ঞঃ সংবৃত্তঃ।

পদ্মাৱতী— দিষ্টা ধ্ৰিয়তে। মোহং গত ইতি শ্ৰুত্বা শূন্যমিব মে হৃদয়ম্।

যৌগন্ধৰায়ণঃ — ততস্ততঃ?

ব্ৰহ্মচাৰী— ততঃ স ৰাজা মহীতলপৰিসৰ্পণপাংসুপাটলশৰীৰঃ সহসোৎথায় 'হা বাসবদত্তেঙ্গ হা অৱন্তিৰাজপুত্ৰিঙ্গ হা প্ৰিয়েঙ্গ হা প্ৰিয়শিষ্যেঙ্গ' ইতি কিমপি কিমপি বহু প্ৰলপিতবান্। কিং বহুনা

> নৈৱেদানীং তাদৃশাশ্চক্ৰবাকা
> নৈৱাপ্যন্যে স্ত্ৰীবিশেষৈৰ্বিযুক্তাঃ।
> ধন্যা সা স্ত্ৰী সাং তথা বেত্তি ভৰ্তা
> ভৰ্তৃস্নেহায সা হি দগ্ধাপ্যদগ্ধা।। ১৩।।

যৌগন্ধৰায়ণঃ — অথ ভোঃ তং তু পৰ্যবস্থাপয়িতুং ন কশ্চিদ্যত্নবানমাত্যঃ?

ব্ৰহ্মচাৰী— অস্তি ৰুমন্বান্নামামাত্যো দৃঢ়ং প্ৰযত্নবাংস্তত্ৰভবন্তং পৰ্যবস্থাপয়িতুম্ স হি

> অনাহাবে তুল্যঃ প্ৰততৰুদিতক্ষামবদনঃ
> শৰীৰে সংস্কাৰং নৃপতিসমদুঃখং পৰিবহন্।
> দিবা বা ৰাত্ৰৌ বা পৰিচৰতি যত্নৈৰ্নৰপতিং
> নৃপঃ প্ৰাণান্ সদ্যস্ত্যজতি যদি তস্যাপ্যুপৰমঃ।। ১৪।।

বাসবদত্তা— (স্বগতম্) দিষ্ট্যা সুনিক্ষিপ্ত ইদনীমাৰ্যপুত্ৰঃ।

যৌগন্ধৰায়ণঃ — (আত্মগতম্) অহো মহদ্ভাৰমুদ্বহতি ৰুমন্বান্। কুতঃ

সবিশ্ৰমো হ্যয়ং ভাৰঃ প্ৰসক্তস্তস্য তু শ্ৰমঃ।

তস্মিন্ সৰ্বমধীনং হি যত্ৰাধীনো নৰাধিপঃ।। ১৫।।

(প্ৰকাশম্) অথ ভোঃঙ্গ পৰ্যবস্থাপিত ইদানীং স ৰাজা।

ৱহ্মচাৰী— তদিদানীং ন জানে। 'ইহ তয়াসহ হসিতম্, ইহ— তয়া সহ কথিতম্, ইহ তয়া সহ পৰ্যুষিতম্, ইহ তয়া সহ কুপিতম্, ইহ তয়া সহ শয়িতম্,' ইত্যেৱং বিলপন্তং তৎৰাজানমমাত্যৈৰ্মহতা যত্নেন তস্মাদ্ গ্ৰামাদ্ গৃহীত্বাপক্ৰান্তম্। তাতো নিষ্ক্ৰান্তে ৰাজনি প্ৰোষিত নক্ষত্ৰচন্দ্ৰমিৱ নভোহৰমনীয়ঃ সংবৃত্তঃ স গ্ৰামঃ। ততোহহমপি নিৰ্গতোহস্মি।

## ২.৪ উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অনুবাদ

এতিয়া আপুনি উপৰোক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া ভাঙনি পঢ়িব পাৰিব। প্ৰথমতে ৱহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগছোৱাৰ অসমীয়া অনুবাদ পঢ়িব পাৰিব। ইয়াৰ পিছত ৱহ্মচাৰী চৰিত্ৰটোৰ প্ৰৱেশৰ পিছৰচোৱাৰ অসমীয়া অনুবাদো পঢ়িব পাৰিব।

### ২.৪.১ ৱহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ আগছোৱা

(নান্দীৰ শেষত সূত্ৰধাৰে প্ৰৱেশ কৰে)

**সূত্ৰধাৰ ঃ**

নবোদিত চন্দ্ৰৰ দৰে বৰ্ণধাৰণ কৰা, মদ্যপানৰ দ্বাৰা বলযুক্ত, যি সৌন্দৰ্যৰে পৰিপূৰ্ণ আৰু বসন্তত অধিক ৰমনীয় সেই বলৰামৰ বাহুযুগলে আপোনালোক সকলোকে ৰক্ষা কৰক। (১)

সজ্জনসকল। মই আপোনালোকক জনাবলৈ বিচাৰিছো। আঃ কি হৈছে। সজ্জনসকলক উদ্দেশ্যি ঘোষণা কৰিবলৈ ওলোৱাৰ লগে লগে কিবা শব্দ শুনা গৈছে। থক আছে। মই চাই লওঁ (এয়ানো কি।)

(নেপথ্যত)

সজ্জনসকল। আঁতৰি যাওঁক, আঁতৰি যাওঁক। সূত্ৰধাৰ - অঃ বুজি পাইছো। ৰাজকুমাৰীৰ অনুসৰণকাৰী মগধাধিপতিৰ বিশ্বস্ত সেৱকসকলৰ দ্বাৰা সকলো তপোবন নিবাসী লোকসকলক ধৃষ্টতাৰে আঁতৰাই পঠিওৱা হৈছে। (২) (প্ৰস্থান)

স্থাপনা

প্ৰথম অংক

(প্ৰবেশ কৰি)

ৰক্ষীদ্বয় — আঁতৰি যাওঁক, সজ্জনসকল, আঁতৰি যাওঁক।

(তাৰ পিছত পৰিব্ৰাজকৰ বেশত যৌগন্ধৰায়নৰ আৰু অৱন্তীনিবাসী স্ত্ৰীৰ ৰূপত বাসবদত্তাৰ প্ৰৱেশ)

যৌগন্ধৰায়ণ — (শুনি) কেনেকুৱা (কথা), ইয়াতো লোকসকলক আঁতৰি যাবলৈ কোৱা হৈছে। কিয় ?

ধৈৰ্য্যশীল, আশ্ৰমত নিবাস কৰা, বন্যফলেৰে তৃপ্তি লাভ কৰা, বল্কলবসন পৰিধানকাৰী, সন্মানৰ যোগ্য লোকসকলক ভীতি প্ৰদৰ্শন কৰা হৈছে। হেৰা। এয়া কোন উদণ্ড, অবিনীত, অস্থিৰ ভাগ্যৰ দ্বাৰা গৰ্বিত পুৰুষ যিয়ে আজ্ঞা প্ৰদান কৰি এই শান্ত তপোবনক আদেশ প্ৰদানৰ জৰিয়তে গাঁওলৈ ৰূপান্তৰ কৰিছে। (৩)

বাসবদত্তা — ডাঙৰীয়া ! যিসকলে আঁতৰাই পঠিয়াইছে তেওঁলোকনো কোন ?

যৌগন্ধৰায়ন — মহাশয়া ! যিসকলে নিজকে ধৰ্মৰ পৰা আঁতৰাইছে।

বাসবদত্তা — ডাঙৰীয়া। মই এইটো কৰবলৈ বিচৰা নাই। কি, মোকো আঁতৰাই পঠিওৱা হ'ব নেকি ?

যৌগন্ধৰায়ন — মহাশয়া। এনেদৰে পৰিচয় লাভ নকৰিলে এনেকি দেৱতাও অপমানিত হয়।

> **স্বগত** - নাটকত আনে নুশুনাকৈ নিজেই নিজকে কোৱা উক্তি

বাসৱদত্তা — ডাঙৰীয়া ! পৰিশ্ৰমেও মোক তেনে কষ্ট প্ৰদান কৰা নাই যিটো এই অপমানৰ দ্বাৰা মই পাইছো।

যৌগন্ধৰায়ণ — এই মৰ্যাদা (সেৱকৰ দ্বাৰা অনুসৰণ পূৰ্বক গমন) আপুনি (এসময়ত) ভোগ কৰিছিল আৰু তাৰ পিছত এৰিব লগা হৈছিল। গতিকে এই বিষয়ে চিন্তা কৰিব নালাগে।

পূৰ্বতে আপুনিও এইধৰণে গমন কৰিছিল। পতিৰ বিজয় হ'লে পুনৰ এই প্ৰশংসনীয় মৰ্যাদা লাভ কৰিব। পাৰ্থিব জীৱনৰ ভাগ্য চক্ৰ ৰথৰ চকাৰ পংক্তিৰ দৰে ঘূৰে। (৪)

ৰক্ষীদ্বয় — ডাঙৰীয়াসকল। আঁতৰি যাওঁক আঁতৰি যাওঁক।

(কাঞ্চুকীয়ৰ প্ৰৱেশ)

কাঞ্চুকীয় — সম্ভষক। আঁতৰাই পঠিওৱা কাৰ্য নকৰিবা। চোৱা,

ৰজাৰ অপবাদ পৰিহাৰ কৰা। আশ্ৰমবাসীসকলৰ প্ৰতি কঠোৰ ব্যৱহাৰ কৰাটো উচিত নহয়। এই মনস্বীসকলে নগৰৰ অপমানৰ পৰা আঁতৰাই থাকিবলৈ এই বনত আহি বাস কৰিছে। (৫)

দুয়ো — ডাঙৰীয়া ! সেয়ে হওঁক। (প্ৰস্থান)

যৌগন্ধৰায়ণ — আঃ ! দেখিবলৈ এওঁক বাস্তৱ জ্ঞান সম্পন্ন যেন ভাব হৈছে। আই ! আমি তেওঁলোকৰ ওচৰলৈ যাওঁগৈ।

বাসবদত্তা — ডাঙৰীয়া ! থিক আছে।

যৌগন্ধৰায়ণ — (ওচৰলৈ গৈ) — ডাঙৰীয়া। কিহৰ বাবে আঁতৰাই পঠিওৱা হৈছে?

কাঞ্চুকীয় — হে তপস্বী !

যৌগন্ধৰায়ণ — (স্বগত) নিশ্চিতভাৱে এই সম্বোধন সন্মানজনক। কিন্তু (এই সম্বোধনত)

অপৰিচিত হোৱা বাবে মোৰ মনত খাপ খুৱাব পৰা নাই।

কাঞ্চুকীয় — ডাঙৰীয়া ! গুৰুস্থানীয়সকলে যাক দৰ্শক বুলি অভিহিত কৰে আমাৰ সেইগৰাকী মহাৰাজৰ এয়া ভগ্নী যাৰ নাম পদ্মাবতী। এওঁ আশ্ৰমবাসিনী মহাৰাজৰ মাতৃ মহাদেৱীক দেখা কৰি সেই পূজ্যাৰ (মাতৃৰ) অনুজ্ঞা লাভ কৰি ৰাজগৃহলৈ যাব। সেয়ে আজি এওঁ এই আশ্ৰমত থাকিবলৈ ইচ্ছা কৰিছে। সেয়ে আপোনালোকৰ ইচ্ছা অনুসৰি পবিত্ৰ জল, সমিধ, ফুল আৰু কুশ— যিসমূহ তপস্যাৰ সম্পদ (সেইবোৰ) বনৰ পৰা সংগ্ৰহ কৰক। ধৰ্মত আগ্ৰহী ৰাজপুত্ৰীয়ে তপস্বীসকলৰ ধৰ্মকাৰ্যত বাধা হোৱাটো কেতিয়াও ইচ্ছা নকৰে। এয়া তেওঁৰ কুলৰ ধৰ্ম। (৬)

যৌগন্ধৰায়ণ (স্ব গত) অঃ ! এয়াই সেই মগধ ৰাজপুত্ৰী। পদ্মাৱতী যিগৰাকীক পুষ্পক ভদ্ৰ আদি জ্যোতিষীসকলে আমাৰ মহাৰাজৰ পত্নী হ'ব বুলি ভৱিষ্যদ্বাণী কৰিছিল। সেয়ে—

অধিক দ্বেষ অথবা অধিক আদৰ মনৰ ভাবনাৰ পৰা উৎপন্ন হয়। তেওঁ আমাৰ মহাৰাজৰ পত্নী হওঁক। মোৰ এই ইচ্ছাৰ বাবে এওঁৰ প্ৰতি মোৰ আত্মীয়তাৰ ভাব জাগি উঠিছে।

বাসৱদত্তা — (স্বগত)— ৰাজপুত্ৰী - এই কথা শুনি এওঁৰ প্ৰতি মোৰ ভগ্নীসুলভ স্নেহ জাগি উঠিছে। (৭)

কাঞ্চুকীয় — আপোনাৰ যি ইচ্ছা। হে আশ্ৰমনিবাসী তপস্বীসকল ! শুনক ! শুনক ! এই সন্মানীয়া মগধ ৰাজপুত্ৰী আপোনালোকৰ (দ্বাৰা প্ৰদৰ্শন কৰা) আস্থাৰ দ্বাৰা উৎসাহিত হৈ ধৰ্মকাৰ্য অনুষ্ঠানৰ বাবে আপোনালোকৰ অভিলষিত বস্তু গ্ৰহণ কৰিবলৈ সানুনয়ে প্ৰাৰ্থনা জনাইছে।

কাক ঘটৰ প্ৰয়োজন? কোনে পোচাক বিচাৰে? যিয়ে (বেদাধ্যয়নাদি) ব্ৰত সম্পূৰ্ণ কৰিছে (তেওঁলোকে) গুৰুক (দক্ষিণাৰূপে) প্ৰদানৰ বাবে কি বিচাৰে? ধৰ্মৰ প্ৰতি অনুৰাগী সেই ৰাজপুত্ৰীয়ে ইয়াৰ দ্বাৰা নিজেই অনুগৃহীত হ'ব বিচাৰিছে। সেয়ে যাৰ যি **অভীষ্ট** সেইটো কওঁক— আজি কাক কি দিয়া হ'ব? (৮)

**অভীষ্ট** - যিটো বাঞ্ছা বা আকাংক্ষা কৰা হয়।

যৌগন্ধৰায়ণ — (আত্মগত) আঃ (মোৰ অভীষ্ট লাভৰ) এটা উপায় দেখা গৈছে।

(প্ৰকাশ কৰি) — হেৰা। মই এজন অৰ্থী।

পদ্মাৱতী — সৌভাগ্যক্ৰমে মোৰ তপোবন যাত্ৰা সফল হ'ল।

তাপসী — এই আশ্ৰমত সন্তুষ্ট তপস্বীগণ থাকে। নিশ্চিতভাৱে এওঁ কোনোবা আগন্তুক।

কাঞ্চুকীয় — মহাশয় ! (আপোনাৰ বাবে) কি কৰিব লাগিব?

যৌগন্ধৰায়ণ — এয়া মোৰ ভগ্নী। এওঁৰ পতি দূৰ দেশলৈ গৈছে, কিছুদিনৰ বাবে দেৱীয়ে এওঁৰ ৰক্ষণাবেক্ষণ দিয়ক। কাৰণ—

মোক ধনৰ কোনো প্ৰয়োজন নাই, ভোগ আৰু বস্তুৰো (প্ৰয়োজন) নাই— মই জীৱিকাৰ বাবে গেৰুৱা বস্ত্ৰ পৰিধান কৰা নাই। যিগৰাকী গাম্ভীৰ্যপূৰ্ণা তথা যাৰ ধৰ্ম

আচৰণ সুস্পষ্ট এই কন্যাগৰাকীয়েই মোৰ ভগ্নীৰ চৰিত্ৰৰ ৰক্ষণাবেক্ষণৰ বাবে সমৰ্থ। (৯)

ৰাসৱদত্তা — (স্বগত) হায়! যৌগন্ধৰায়ণে মোক এই গৰাকীৰ হাতত তুলি দিব বিচাৰিছে। হওঁক। তেওঁ অবিবেচনাৰে কাৰ্য নকৰে।

কাঞ্চুকীয়— দেৱী। এওঁৰ প্ৰাৰ্থনা বৰ ডাঙৰ। কেনেদৰে মঞ্জুৰ কৰিম?

কাৰণ ধন দিবলৈ সহজ, প্ৰাণ (দিবলৈও) সহজ, তপস্যা (ৰ ফল ত্যাগ কৰিবলৈও) সহজ, সকলো (বস্তু প্ৰদান কৰাটো) সহজ (কিন্তু) ন্যাস ৰখা বস্তুৰ ৰক্ষণাবেক্ষণ দুঃখজনক। (১০)



**জানি থোৱা ভাল**

কাঞ্চুকীয় হৈছে সংস্কৃত নাটকৰ এটি উল্লেখযোগ্য চৰিত্ৰ। পৰৱৰ্তী কালৰ সংস্কৃত নাটকত এই চৰিত্ৰটি কাঞ্চুকীৰূপে উল্লেখ কৰা হৈছে। এই কাঞ্চুকীয় নাইবা কাঞ্চুকী চৰিত্ৰটিয়ে ৰজাৰ অন্তেষপুৰৰ দায়িত্ব লাভ কৰে। সাধাৰণতে তেওঁ এগৰাকী বৃদ্ধ ব্ৰাহ্মণ, সজ, গুণবান আৰু সকলো কাৰ্যত নিপুণ লোক। কাঞ্চুকীৰ লক্ষণ এনেধৰণে দিয়া হয়—

অন্তঃপুৰচৰো বৃদ্ধো বিপ্ৰো গুণগণান্বিতঃ।
সৰ্বকাৰ্যাৰ্থ কুশলঃ কঞ্চুকীত্যভিধীয়তে।।



**অগ্ৰগতিৰ নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ যৌগন্ধবায়ণে কাৰ ছদ্মবেশ ধাৰণ কৰিছিল?

..................................................................................

..................................................................................

প্ৰশ্ন নং ২ঃ তপোবননিবাসী লোকসকলক কোনে আঁতৰি যাবলৈ নিৰ্দেশ দিছিল?

..................................................................................

..................................................................................

প্ৰশ্ন নং ৩ঃ মগধ ৰাজ্যৰ ৰজাৰ নাম কি?

..................................................................................

..................................................................................

প্ৰশ্ন নং ৩ঃ পদ্মাৱতী কোন?

..................................................................................

..................................................................................

## ২.৪.২ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰৱেশৰ পৰা

**ক্ষেত্ৰৱতী** - কৃষি পথাৰ যুক্ত।

(ইয়াৰ পিছত ব্ৰহ্মচাৰীৰ প্ৰৱেশ)

ব্ৰহ্মচাৰী (ওপৰলৈ চাই) দুপৰীয়া হ'ল। বৰ ভাগৰি পৰিছো। কোন স্থানতনো বিশ্ৰাম কৰো? (ঘূৰি লৈ) ঠিক আছে। চাৰিওদিশে এইখন এখন তপোবন যেন লাগিছে।

ঠাইখনৰ বাবে উৎপন্ন হোৱা বিশ্বাসৰ বাবে শংকাৰহিত হৰিণবোৰ আশ্বস্ত হৈ ঘূৰি আছে। ইয়াত সকলো বৃক্ষ ফল-ফুলেৰে সমৃদ্ধ, শাখা যুক্ত (আৰু) দয়াৰ দ্বাৰা সুৰক্ষিত। কপিল বৰ্ণৰ গোধন বহুল পৰিমাণে আছে। দিশসমূহো **ক্ষেত্ৰৱতী** নহয়। নিঃসন্দেহে এয়া তপোবন কাৰণ বহু স্থানৰ পৰা ধোৱা উদ্ভূত হৈছে। (১২)

যি হওঁক, প্ৰৱেশ কৰো। (প্ৰৱেশ কৰি) অঃ। এইজন লোক আশ্ৰম বিৰুদ্ধ। (আনটো ফালে চাই) অথবা তপস্বীসকলো ইয়াত বৰ্তমান। অ'। স্ত্ৰীলোক। (আগুৱাই যোৱাত কোনো বাধা নাই)

কাঞ্চুকীয় — দ্বিধাহীনভাৱে আপুনি প্ৰৱেশ কৰক। আশ্ৰমস্থল সকলো লোকৰ বাবে একে।

বাসবদত্তা — হুম্।

পদ্মাৱতী — অঃ আৰ্যাই পৰপুৰুষৰ দৰ্শনৰ পৰা বিৰত আছে। ঠিক আছে। মোৰ ন্যাস সুপৰিপালনীয়।

কাঞ্চুকীয় — ডাঙৰীয়া। আমি (ইয়াত) আগতে প্ৰৱেশ কৰিছো। সেয়ে (আমাৰ) অতিথি সৎকাৰ গ্ৰহণ কৰক।

ব্ৰহ্মচাৰী — (আচমন কৰি) হ'ব হ'ব। ভাগৰ নাইকীয়া হ'ল।

যৌগন্ধৰায়ণ — ডাঙৰীয়া। ক'ৰ পৰা আহিছে? ক'লৈ যোৱা হ'ব? ডাঙৰীয়াৰ নিবাস স্থান ক'ত?

ব্ৰহ্মচাৰী — ডাঙৰীয়া। শুনক। ৰাজগৃহৰ পৰা আহিছো। বেদৰ বিশেষ জ্ঞানৰ বাবে বৎসৰাজ্যত থকা লাৱানক গাঁৱত নিবাস কৰিছিলো।

বাসবদত্তা (স্বগত) হাঁয়ঙ্গ লাৱানক। লাৱানকৰ নাম ল'লে মোৰ দুখ আকৌ নতুন হৈ পৰে।

যৌগন্ধৰায়ণ — অধ্যয়ন সমাপন হৈছেনে?

ব্ৰহ্মচাৰী — নাই হোৱা।

যৌগন্ধৰায়ন — যদি বিদ্যা সমাপ্ত হোৱা নাই তেন্তে গুছি অহাৰ কাৰণ কি?

ব্ৰহ্মচাৰী — তাত সাংঘাটিক বিপৰ্যয় হৈছে।

যৌগন্ধৰায়ণ — কেনেকৈ?

ব্ৰহ্মচাৰী — তাত উদয়ন নামেৰে এজন ৰজা আছিল।

যৌগন্ধৰায়ণ — মহাৰাজ উদয়নৰ বিষয়ে শুনিছো। তেওঁৰ কি হ'ল?

ব্ৰহ্মচাৰী — অৱন্তীৰাজ পুত্ৰী বাসবদত্তা নামৰ পত্নী তেওঁৰ অতিশয় স্নেহৰ পাত্ৰী আছিল।

যৌগন্ধৰায়ণ — হোৱাই উচিত। তাৰ পিছত কি হ'ল?

ব্ৰহ্মচাৰী — তাৰ পিছত সেই ৰজা চিকাৰ লৈ যোৱাৰ পিছত গাঁৱত জুই লগাত তেওঁ দগ্ধ হৈ গ'ল।

বাসবদত্তা (স্বগত)— মিছা কথা। এয়া সম্পূৰ্ণ মিছা কথা। মই অভাগিনী জীয়াই আছো।

যৌগন্ধৰায়ণ — তাৰ পিছত? তাৰ পিছত কি হ'ল।

ব্ৰহ্মচাৰী — তাৰ পিছত তেওঁক বচাবলৈ গৈ যৌগন্ধৰায়ণ নামৰ মন্ত্ৰীজনো সেই জুইত পৰি গ'ল।

যৌগন্ধৰায়ণ — সঁচাকৈয়ে পৰি গ'ল। তাৰ পিছত?

ব্ৰহ্মচাৰী — তাৰ পিছত চিকাৰৰ পৰা উভতি অহা ৰজাই সেই বৃত্তান্ত শুনি তেওঁলোক দুয়োৰে পৰা হোৱা বিচ্ছেদৰ বাবে সন্তপ্ত হৈ সেই জুইতেই প্ৰাণ ত্যাগ কৰিবলৈ ইচ্ছুক হৈছিল আৰু তেতিয়া মন্ত্ৰীসকলৰ দ্বাৰা অতি যত্নেৰে ৰজাক বিৰত কৰা হ'ল।

বাসৱদত্তা — (স্বগত) **আৰ্যপুত্ৰ**ৰ মোৰ প্ৰতি যি অনুকম্পা আছে সেয়া মই ভালদৰে জানো।

যৌগন্ধৰায়ণ — তাৰ পিছত?

ব্ৰহ্মচাৰী — তাৰ পিছত তেওঁৰ শৰীৰত পৰিধান কৰা, পুৰি অৱশিষ্ট হিচাপে থকা আভূষণসমূহক আলিঙ্গন কৰি ৰজা মূৰ্চ্ছিত হৈ গ'ল।

সকলোৰে — হাঁয়!

ৰাসৱদত্তা — (স্বগত) এতিয়া আৰ্য যৌগন্ধৰায়ণৰ কামনা পূৰ্ণ হ'ল।

**চেটী** — ৰাজকুমাৰী! এই মহাশয়াই কান্দিছে।

পদ্মাৱতী — তেওঁ নিশ্চয় দয়ালু স্বভাৱৰ।

যৌগন্ধৰায়ণ — হয়, সঁচাকৈয়ে। মোৰ ভনীৰ স্বভাৱ দয়ালু। তাৰ পিছত? তাৰ পিছত?

ব্ৰহ্মচাৰী — তাৰ পিছত ৰজাই লাহে লাহে চেতনা ঘূৰাই পালে।

পদ্মাৱতী — ভাগ্যক্ৰমে জীৱিত হৈ আছে। অচেতন হৈ গ'ল — এই কথা শুনি মোৰ হৃদয় শূন্য হৈ পৰিছিল।

যৌগন্ধৰায়ণ — তাৰ পিছতঙ্গ তাৰ পিছতঙ্গ

ব্ৰহ্মচাৰী — তাৰ পিছত মাটিত পৰি লুটি বাগৰ কোৰা বাবে ধূলিৰে ধূসৰিত শৰীৰযুক্ত ৰজাই অকলে অকলে উঠি হায়, বাসবদত্তা। হায় **অৱন্তীৰাজ পুত্ৰী**। হায় প্ৰিয়া। হায় প্ৰিয়শিষ্যা! এনেদৰে বহু প্ৰলাপ কৰিছিল। ইয়াতকৈ বেছি আৰু কি কম!

এনে (দুঃ খাচ্ছন্ন) অৱস্থাত চক্ৰবাক পক্ষী নাইবা নিজৰ পত্নীৰ পৰা বিযুক্ত আন কোনোৱেই তেওঁৰ দৰে নহয়। সেই স্ত্ৰী ধন্যা যাক পতিয়ে সেই ধৰণে জ্ঞান কৰে।

**আৰ্যপুত্ৰ** — কোনো স্ত্ৰীয়ে স্বামীৰ প্ৰতি কৰা সম্বোধন।

**চেটী** — সেবিকা।

**অৱন্তিৰাজ পুত্ৰী** — অৱন্তী ৰাজ্যৰ ৰজাৰ কন্যা অৰ্থাৎ বাসবদত্তা।

পতিৰ স্নেহৰ বাবে তেওঁ দগ্ধা হৈও অদগ্ধা। (১৩)

যৌগন্ধৰায়ণ— হয় মহাশয়। তেওঁক প্ৰকৃতিষ্ঠ কৰিবলৈ কোনো মন্ত্ৰী প্ৰযত্নবান হোৱা নাইনে?

ব্ৰহ্মচাৰী — ৰুমন্বান্ নামৰ মন্ত্ৰীগৰাকীয়ে ৰজাক সুস্থিৰ কৰোৱাত অতি প্ৰযত্নশীল হৈছে।

ভোজন গ্ৰহণ নকৰাৰ ক্ষেত্ৰত তেওঁ ৰজাৰ দৰে একে। অনবৰত কান্দি থকা বাবে মুখমণ্ডল ক্ষীণাই গৈছে। গভীৰ দুখ অনুভব কৰা বাবে ৰজাৰ দৰেই শৰীৰত সংস্কাৰ গ্ৰহণ কৰিছে, দিনে ৰাতিয়ে ৰজাক যত্নেৰে পৰিচৰ্যা কৰিছে। যদি ৰজাই মুহূৰ্ততে প্ৰাণ ত্যাগ কৰে তেওঁৰো লগে লগে মৃত্যু হ'ব। (১৪)

বাসবদত্তা — সৌভাগ্যক্ৰমে আৰ্য্যপুত্ৰ উপযুক্ত হাততেই আছে।

যৌগন্ধৰায়ণ — অঃ ৰুমন্বনে বহু ডাঙৰ বোজা বহন কৰি আছে।

মোৰ এই ভাৰ বিশ্ৰামযুক্ত কিন্তু তেওঁৰ পৰিশ্ৰম নিৰৱচ্ছিন্ন, কাৰণ ৰজা যাব (ওপৰত) নিৰ্ভৰশীল হয় সকলো তেওঁৰ ওপৰত নিৰ্ভৰশীল। (১৫)

(প্ৰকাশ কৰি) থিক আছে মহোদয়। এতিয়া সেই ৰজা প্ৰকৃতিষ্ঠ হৈছে নে?

ব্ৰহ্মচাৰী — মই সেই কথা এতিয়া নাজানো। ইয়াত তেওঁৰ লগত হাঁহিছিলো, ইয়াত তেওঁৰ লগত কথা পাতিছিলো, ইয়াত তেওঁৰ লগত কটাইছিলো, ইয়াত তেওঁৰ ওপৰত অভিমান কৰিছিলো, ইয়াত তেওঁৰ সৈতে শয়ন কৰিছিলো এনেদৰে বিলাপ কৰি থকা সেই ৰজাক বৰ যত্নেৰে মন্ত্ৰীয়ে সেই গাঁৱৰ পৰা লৈ গুছি গ'ল। ৰজা গুছি যোৱাৰ পিছত সেই গাঁওখন এনেদৰে সৌন্দৰ্যহীন হৈ পৰিল যেন আকাশত তৰাৰে সৈতে চন্দ্ৰ আঁতৰি গ'ল। তাৰ পিছত মইও ওলাই আহিলো।



### জানি থোৱা ভাল

সংস্কৃত নাটকত পাঁচধৰণৰ উক্তিৰ ব্যৱহাৰ কৰা হয়।

১) আনে নুশুনাকৈ নিজে নিজকে কোৱা উক্তি হৈছে স্বগত বা আত্মগত।

২) যি উক্তি সকলোৱে শুনাকৈ কোৱা হয় সেয়া হৈছে প্ৰকাশ উক্তি।

৩) যি উক্তি আঁতৰি গৈ গোপনে কোৱা হয় তাক অপবাৰিত উক্তি বোলে।

৪) ত্ৰিপতাক নামৰ হাতৰ মুদ্ৰাৰ দ্বাৰা আনক আঁৰ কৰি পৰস্পৰৰ মাজত পাত্ৰসকলে যি আলোচনা কৰে সেয়া হৈছে জনান্তিক।

৫) ৰঙ্গ মঞ্চত উপস্থিত নোহোৱা কোনোবাই কোৱা কিবা কথা শুনা যেন দেখুৱাই, 'কি, কি কৈছা?' ইত্যাদি কথাৰ যেতিয়া নাটকত প্ৰয়োগ হয় আৰু তাকেই আকাশভাষিত উক্তি বুলি কোৱা হয়।



**অগ্ৰগতিৰ নিৰীক্ষণ**

প্ৰশ্ন নং ৫ঃ যৌগন্ধৰায়ণে বাসবদত্তাক কাৰ ওচৰত ন্যাসৰূপে ৰাখিব বিচাৰিছিল?

..........................................................................................................

..........................................................................................................

প্ৰশ্ন নং ৬ঃ ব্ৰহ্মচাৰীজন ক'ৰ পৰা আহিছিল?

..........................................................................................................

..........................................................................................................

প্ৰশ্ন নং ৭ঃ অৱন্তীৰাজপুত্ৰী বুলি কাক নিৰ্দেশ কৰা হৈছে?

..........................................................................................................

..........................................................................................................

প্ৰশ্ন নং ৮ঃ পত্নীৰ দুখত কাতৰ উদয়ন কোন মন্ত্ৰীৰ তত্ত্বাৱধানত আছিল?

..........................................................................................................

..........................................................................................................

## ২.৫ ব্ৰহ্মচাৰী চৰিত্ৰটিৰ অৱতাৰণাৰ তাৎপৰ্য ব্যাখ্যা

এই অংশত আপুনি ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰথম অংকত অৱতাৰণা কৰাৰ তাৎপৰ্য সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।

স্বপ্নবাসৱাদত্তম্ নাটকৰ প্ৰথম অংকৰ সামৰণিৰ ফালে ব্ৰহ্মচাৰী নামৰ এটি চৰিত্ৰৰ প্ৰৱেশ ঘটিছে। এই চৰিত্ৰটিয়ে সমগ্ৰ নাটকখনত এবাৰেই মাত্ৰ ভুমুকি মাৰিছে। কেৱল এটি দৃশ্যৰ বাবে যদিও চৰিত্ৰটিৰ অৱতাৰণা কৰা হৈছে, চৰিত্ৰটি প্ৰবেশে সমগ্ৰ নাটকখনত বিশেষ তাৎপৰ্য বহন কৰিছে।

বাসবদত্তা আৰু যৌগন্ধৰায়ণ লাৱানক নামৰ গাঁৱৰ পৰা ওলাই অহাৰ পিছত সেই গ্ৰামবাসী লোকৰ প্ৰতিক্ৰিয়া এই ব্ৰহ্মচাৰীৰ প্ৰৱেশৰ জৰিয়তেই জানিব পৰা যায়। ব্ৰহ্মচাৰীয়ে কৈছিল যে ৰজা উদয়ন চিকাৰলৈ যোৱা সময়ত গ্ৰাম দাহ হৈছিল আৰু তেতিয়া তেওঁৰ পত্নী বাসবদত্তা সেই জুইত দগ্ধ হৈছিল। ইয়াৰ পিছত যৌগন্ধৰায়ণ নামৰ মন্ত্ৰীজনে সেই বাসবদত্তাক বচাবলৈ গৈ সেই জুইতেই দগ্ধ হৈছিল। ৰজাই উভতি আহি বাসৱদত্তাই পৰিধান কৰা অৰ্ধদগ্ধ অলঙ্কাৰসমূহ আলিঙ্গন কৰি মূৰ্চ্ছা গৈছিল। এনেদৰে যৌগন্ধৰায়ণৰ পৰিকল্পনা অনুসৰি ঘটনাচক্ৰ আগবঢ়া কথাটো জানিব পৰা যায়।

ইয়াৰ উপৰিও এই চৰিত্ৰটিৰ প্ৰৱেশে উদয়নৰ প্ৰতি পদ্মাৱতীৰ মনত উদ্ৰেক হোৱা স্নেহৰ মনোভাবৰ বিষয়েও দৰ্শকক অৱগত কৰায়। বাগৱদত্তাৰ শোকত ম্ৰিয়মান হোৱা ৰজাই

উদয়ন সেই অচেতন হোৱা আৰু পিছত চেতনা ঘূৰাই পোৱাৰ বুলি কথা ব্ৰহ্মচাৰীয়ে জানিবলৈ দিছিল। এই কথা শুনি পদ্মাৱতীয়ে মন্তব্য কৰিছিল যে অচেতন হৈ পৰা শুনি তেওঁৰ হৃদয় শূন্য হৈ পৰিছিল।

উদয়নৰ গুণৰ প্ৰতি পদ্মাৱতী আকৃষ্ট হোৱা আৰু তেওঁৰ লগত বিবাহৰ বাবে অভিলাষী হোৱাৰ বিষয়েও এই ব্ৰহ্মচাৰী চৰিত্ৰৰ প্ৰৱেশৰ জৰিয়তেই জানিব পৰা যায়। কাৰণ ৰজা উদয়নে দ্বিতীয় বিবাহ কৰাব নে নকৰায় এই বিষয়ে জানিবলৈ পদ্মাৱতী উৎসুক হৈছিল।

ব্ৰহ্মচাৰীয়ে এই বাৰ্তাও জনাইছিল যে বাসবদত্তাৰ অবৰ্তমানত শোকত কাতৰ হোৱা ৰজাক ৰুমন্বান নামৰ মন্ত্ৰী এজনৰ দ্বাৰা শুশ্ৰূষা কৰি থকা হৈছে। এই কথা শুনি বাসবদত্তা যথেষ্ট আশ্বস্ত হৈছিল। এই কথা ব্যক্ত কৰি তেওঁ কৈছিল যে সৌভাগ্যক্ৰমে ৰজা উদয়ন উপযুক্ত ব্যক্তিৰ দ্বাৰা ৰক্ষিত হৈছে। ৰজা সুৰক্ষিত হৈ থকা বাৰ্তাটোৱে তেওঁৰ মনৰ উদ্বেগ বহু পৰিমাণে লাঘৱ কৰিছিল।

এনেদৰে ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰবেশে নাটকখনৰ কাহিনীভাৰ অগ্ৰগতি লাভত অৰিহণা আগবঢ়াইছে আৰু তাৰ দ্বাৰাই বিশেষ তাৎপৰ্য বহন কৰিছে।

## ২.৬ কেইটিমান বিশেষ শ্লোক ব্যাখ্যা কৰাৰ আৰ্হি

এই অংশত আপুনি শ্লোকসমূহৰ ব্যাখ্যাৰ কেনেদৰে কৰা হয় তাৰ আৰ্হি লাভ কৰিব পাৰিব।

১) পূৰ্বং ত্বয়াহপ্যভিমতং গতমেৱমাসী
   চ্ছলাঘ্যং গমিষ্যসি পুনৰ্বিজয়েন ভৰ্তুঃ।
   কালক্ৰমেণ জগতঃ পৰিৱৰ্তমানা
   চক্ৰাৰপংক্তিৰিৱ গচ্ছতি ভাগ্যপংক্তিঃ।। (১.৪)

উক্ত শ্লোকটি মহাকবি ভাসৰ দ্বাৰা ৰচিত 'স্বপ্নবাসবদত্তম্' নামৰ নাটকখনৰ প্ৰথম অংকৰ অন্তৰ্গত।

আশ্ৰমনিবাসী লোকসকলক যেতিয়া আঁতৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল, তেতিয়া বাসবদত্তাই তেওঁলোককো সেই ধৰণৰ নিৰ্দেশ দিয়া হ'ব নেকি সেই কথা যৌগন্ধৰায়ণৰ পৰা জানিব বিচাৰিছিল। তেতিয়া যৌগন্ধৰায়ণে বাসবদত্তাৰ প্ৰতি এই শ্লোকটি ব্যক্ত কৰিছিল।

পূৰ্বতে বাসবদত্তাই তেওঁৰ স্বামী উদয়ন ৰজা হৈ থকা কালত ৰাজৰাণী হিচাপে জীৱনটো উপভোগ কৰিব পাৰিছিল। মগধৰাজপুত্ৰী পদ্মাৱতীৰ দৰে তেওঁও সেই সময়ত ৰজাৰ পুৰুষসকলৰ দ্বাৰা সুৰক্ষিত হৈ সন্মানজনকভাৱে গমন কৰিব পাৰিছিল। সেই সময়ত তেওঁ এক সুখৰ জীৱন যাপন কৰিব পাৰিছিল। কিন্তু বৰ্তমান তেওঁৰ স্বামীয়ে ৰাজ্য হেৰুওৱা বাবে তেওঁ দিনবোৰ দুখত কটাব লগা হৈছে আৰু পূৰ্বৰ সন্মান লাভৰ পৰা বঞ্চিত হৈছে। যৌগন্ধৰায়ণে বাসবদত্তাক আশ্বাস প্ৰদান কৰি কৈছে যে স্বামীৰ ৰাজ্যপ্ৰাপ্তিৰ দ্বাৰা তেওঁ পূৰ্বৰ মৰ্যাদা পুনৰ লাভ কৰিব। পৃথিৱীত

মানুহৰ ভাগ্যপংক্তি সময় যোৱাৰ লগে লগে পৰিৱৰ্তিত হৈ থাকে। ইয়াক চলমান চকা এটাৰ ৰেখাসমূহৰ দৰে গণ্য কৰিব পৰা যায় যিটো একে স্থানত ৰৈ নাথাকে। যিদৰে চলন্ত চকা এটাৰ ৰেখাসমূহ একেটা স্থানত স্থায়ীভাৱে ৰৈ নাথাকে, থিক সেইদৰে মানুহৰ জীৱনতো সুখ নাইবা দুখ স্থায়ীভাৱে নাথাকে। সেয়ে যৌগন্ধৰায়ণে বাসবদত্তাক সান্ত্বনা প্ৰদান কৰি কৈছিল যে বাসবদত্তাই বৰ্তমান যি দুখ ভোগ কৰিব লগা হৈছে সেয়া কেতিয়াও স্থায়ী নহয়। উদয়নৰ ৰাজ্যপ্ৰাপ্তিৰ দ্বাৰা পুনৰ তেওঁৰ সুখৰ দিনসমূহ উভতি আহিব আৰু পূৰ্বৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হ'ব।

২) সুখমৰ্থো ভৱেদ্ দাতুং সুখং প্ৰাণাঃ সুখং তপঃ।
   সুখমন্যদ্ ভবেদ্ সৰ্বং দুঃখং ন্যাপস্যবক্ষণম্।। (১.১০)

উক্ত শ্লোকটি মহাকবি ভাসৰদ্বাৰা ৰচিত 'স্বপ্নবাসবদত্তম্' নামৰ নাটকখনৰ প্ৰথম অংকৰ পৰা উদ্ধৃত কৰা হৈছে।

যৌগন্ধৰায়ণে যেতিয়া বাসবদত্তাক পদ্মাৱতীৰ ওচৰত তেওঁৰ সুৰক্ষাৰ বাবে ৰাখিব বিচাৰিছিল তেতিয়া ন্যাসৰ ৰক্ষণাবেক্ষণ কৰাটো যে অতি দুখজনক সেইকথা কাঞ্চুকীয়ই মগধৰ ৰাজকুমাৰী পদ্মাৱতীক এই শ্লোকটিৰ জৰিয়তে ব্যক্ত কৰিছে।

এই পৃথিৱীত কিছুমান কাৰ্যই সুখ প্ৰদান কৰে আৰু আন কিছুমান কাৰ্যৰ দ্বাৰা দুখৰ প্ৰাপ্তি হয়। অৰ্থ দান কৰাটো সুখকৰ হয়। যদি অৰ্থ পৰ্যাপ্ত পৰিমাণে থাকে আৰু উপযুক্ত পাত্ৰত প্ৰদান কৰিব পৰা যায় তেন্তে তাৰ দ্বাৰা দাতাই মনত সন্তুষ্টি লাভ কৰিব পাৰে। কোনো পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যদি প্ৰাণ ত্যাগ কৰিব লগা হয় তেন্তে সেই ত্যাগৰ দ্বাৰা আনন্দ লাভ কৰিব পৰা যায়। কঠিন তপস্যাৰ ফলো যদি প্ৰদান কৰিব লাগে তেন্তে সেই ত্যাগেও আনন্দ প্ৰদান কৰে। এনেদৰে সকলো কাৰ্যই আনন্দৰ কাৰক হৈ পৰে।

কিন্তু এই ক্ষেত্ৰত দুখজনক হৈছে ন্যাসৰূপে ৰখা বস্তুৰ ৰক্ষণাবেক্ষণ কৰা কাৰ্য। ন্যাসৰ ৰক্ষণাবেক্ষণে কেতিয়াও সুখ প্ৰদান নকৰে। ই এক অতি দায়িত্বপূৰ্ণ কাৰ্য। ন্যাসৰ ৰক্ষণাবেক্ষণ ৰূপ দায়িত্ব পালনৰ ক্ষেত্ৰত বিশেষ তৎপৰতাৰ প্ৰয়োজন হয়। তদুপৰি ইয়াক যিটো ৰূপত গ্ৰহণ কৰা হৈছিল ঠিক একে ৰূপ প্ৰত্যৰ্পণ কৰিব নোৱৰা পৰ্যন্ত মনত যথেষ্ট উদ্বেগ ল'ব লগা হয়। গতিকে ন্যাসৰ ৰক্ষণাবেক্ষণ সুখকৰ নহয়। ই সদায় দুখৰহে কাৰক হয়। সেয়ে এই শ্লোকটি ব্যক্ত কৰি কাঞ্চুকীয়ই বাসবদত্তাৰূপ ন্যাসৰ ৰক্ষণাবেক্ষণৰ বাবে যৌগন্ধৰায়ণে যি প্ৰাৰ্থনা আগবঢ়াইছিল তাক স্বীকাৰ নকৰিবলৈ পদ্মাবতীক আওপকীয়াকৈ অনুৰোধ জনাইছিল।

৩) সবিশ্ৰমো হ্যয়ং ভাৰঃ প্ৰসক্তস্তস্য তু শ্ৰমঃ।
   তস্মিন্ সৰ্বমধীনং হি যত্ৰাধীনো নৰাধিপঃ।। (১.১৫)

মহাকবি ভাসৰ দ্বাৰা ৰচিত 'স্বপ্নবাসবদত্তম্' নামৰ নাটকৰ প্ৰথম অংকৰ পৰা উক্ত শ্লোকটি উদ্ধৃত কৰা হৈছে।

পত্নী বাসবদত্তাৰ শোকত ম্ৰিয়মান ৰজা উদয়নৰ শুশ্ৰূষাৰ দায়িত্ব গ্ৰহণ কৰা ৰুমন্বান্ নামৰ মন্ত্ৰীজনৰ গুৰু দায়িত্বৰ বিষয়ে ক'বলৈ গৈ যৌগন্ধৰায়ণে উক্ত শ্লোকটিৰে স্বগতোক্তি কৰিছে।

ৰজা উদয়নৰ ৰাজ্য পুনৰুদ্ধাৰৰ উদ্দেশ্য আগত ৰাখি যৌগন্ধৰায়ণে বাসবদত্তাক লৈ লাৱাণক নামৰ গাঁৱৰ পৰা ওলাই আহিছিল। তাৰ পিছত তেওঁ বাসবদত্তাক তেওঁৰ ৰক্ষণাবেক্ষণৰ বাবে মগধৰ ৰাজকুমাৰী পদ্মাৱতীৰ হাতত অৰ্পণ কৰিছিল। গতিকে বাসবদত্তাৰ দায়িত্ব ল'ব লগা হৈছিল যদিও যৌগন্ধৰায়ণৰ ক্ষেত্ৰত পদ্মাৱতীক অৰ্পণ কৰাৰ পিছত সেই দায়িত্ব কিছু লাঘব হৈছিল। কিন্তু ৰুমন্বান্ নামৰ মন্ত্ৰীজনে শোকত নিমজ্জিত ৰজা উদয়নৰ দায়িত্ব ল'ব লগা হৈছিল। এই দায়িত্বৰ কোনো বিৰাম নাছিল। তদুপৰি সকলোৰে নিয়ন্ত্ৰণকৰ্তা স্বয়ং ৰজা বৰ্তমান তেওঁৰ ওপৰত নিৰ্ভৰশীল হৈ আছে। যি ক্ষেত্ৰত ৰজাই তেওঁৰ দ্বাৰা আশ্ৰিত গতিকে আন সকলোৰে আশ্ৰয়স্থলো তেঁৱেই। গতিকে ৰুমন্বান্‌ৰ যি শ্ৰম সেয়া বিশ্ৰামহীন হোৱাৰ লগতে অত্যন্ত দায়িত্বপূৰ্ণ।



## ২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰথম অংকৰ গুৰুত্বপূৰ্ণ কেবাটাও অংশৰ সংস্কৃত পাঠ সম্পৰ্কে অৱগত হ'ল। তদুপৰি সেইসমূহৰ অসমীয়া অৰ্থসমূহো জানিব পাৰিলে। ইয়াৰ দ্বাৰা নাটকখনৰ কেবাটাও মূল চৰিত্ৰ যেনে— উদয়ন, বাসবদত্তা, পদ্মাৱতী, যৌগন্ধৰায়ণ, ব্ৰহ্মচাৰী আদিৰ লগত পৰিচয় লাভ কৰিলে। লগতে সমগ্ৰ নাটকখনত একমাত্ৰ প্ৰথম অংকত এবাৰৰ বাবে প্ৰৱেশ ঘটা ব্ৰহ্মচাৰী চৰিত্ৰটিৰ অৱতাৰণা কৰাৰ তাৎপৰ্য সম্পৰ্কেও জ্ঞান হ'ল। শ্লোকসমূহৰ ব্যাখ্যানো কিদৰে কৰা হয় সেই সম্পৰ্কেও আৰ্হিমূলক ব্যাখ্যাৰ জৰিয়তে জ্ঞান লাভ কৰিলে।



## ২.৮ অধিক জানিবলৈ


১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সস্ত্ৰুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৱ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্‌লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্‌লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

## ২.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** এগৰাকী পৰিব্ৰাজকৰ।

**২ নং প্ৰশ্নৰ উত্তৰঃ** মগধাধিপতিৰ কন্যাৰ অনুগমনকাৰী সেৱকসকলে।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** মগধৰাজ্যৰ ৰজাৰ নাম আছিল দৰ্শক।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** পদ্মাৱতী মগধৰাজ্যৰ ৰাজকুমাৰী।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** মগধৰাজ কুমাৰী পদ্মাৱতীৰ ওচৰত।

**৬ নং প্ৰশ্নৰ উত্তৰঃ** বৎসৰাজ্যৰ লাৱাণক নামৰ গাঁৱৰ পৰা।

**৭ নং প্ৰশ্নৰ উত্তৰঃ** বাসবদত্তাক।

**৮ নং প্ৰশ্নৰ উত্তৰঃ** ৰুমন্বান্ নামৰ মন্ত্ৰীৰ।

## ২.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন ঃ** (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ঃ** ব্ৰহ্মচাৰী চৰিত্ৰটিৰ প্ৰবেশৰ তাৎপৰ্য চমুকৈ লিখক।

**খ) চুটি প্ৰশ্ন ঃ** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ঃ** প্ৰথম অংকৰ পঞ্চম আৰু চতুৰ্দশ শ্লোক দুটিৰ ব্যাখ্যা কৰক।

**গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ** (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

**প্ৰশ্ন ১ঃ** স্বপ্নবাসবদত্তম্ নাটকৰ ব্ৰহ্মচাৰীৰ প্ৰবেশৰ আগলৈ পোৱা দৃশ্যৰাজি বৰ্ণনা কৰক।

*** ***** ***